# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

**ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক** **তাং- ৩১/১২/২০১৮**

## কাৰ্য্যবিৱৰণী

আজি ইং ৩১/১২/২০১৮ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠক মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয় । আৰম্ভণিতে মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে সমূহ কৰ্মচাৰীক নতুন বছৰৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে নতুন বছৰত সমূহ কৰ্মচাৰীক পূৰ্ণ উদ্যমেৰে কৰ্মত মনোনিবেশ কৰিবলৈ অনুৰোধ জনায় ।

ইয়াৰ পিছতে মূখ্য সহায়কে আগবঢ়োৱা বক্তব্যত সমূহ কৰ্মচাৰীক এটি পৰিয়ালৰ দৰে মনোভাব ৰাখি কাৰ্য্যালয়ৰ কাম সমূহ কৰি যাবলৈ অনুৰোধ জনায় লগতে বিগত বৰ্ষত কাৰ্য্যালয়ৰ কাম কাজ সুচাৰুৰূপে চলাই নিয়াৰ বাবে সমূহ কৰ্মচাৰীক ধন্যবাদ জনায় আৰু কাৰ্য্যালয়ৰ সময়মতে উপস্থিত থাকিবলৈ পৰামৰ্শ আগবঢ়ায় ।

GR বিভাগৰ সহায়ক বন্ধ দিনত ছুটী বিচাৰিলে Bench সহায়কসকলে সালসলনি কৰি GR বিভাগৰ কাম চলাই নিবলৈ মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে পৰামৰ্শ আগবঢ়ায় ।

বিদায়ী অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে তেওঁৰ বক্তব্যত কাৰ্য্যালয়ত তেওঁৰ বিগত সময়ত লাভ কৰা অভিজ্ঞতাৰ বৰ্ণনা কৰে ।

শেষত পুনৰ সকলোলৈ নৱ বৰ্ষৰ শুভেচ্ছা জনাই জলযোগেৰে বৈঠকখনিৰ সমাপ্তি ঘটে ।

Rajani

মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰূপক ৰজক)

| অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ | ১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ | ১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ |
|---|---|---|
| (অনুপ খানাল) | (মনিকা মিচং) | (নাজৰানা পাৰবিন ৰেহমান) |